# ২০২৫-২০২৬ বৰ্ষৰ হকী শাখাৰ বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি মহোদয়, মাননীয় সাধাৰণ সম্পাদক মহোদয় আৰু সদনৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নগাওঁ ক্ৰীড়া সংস্থাৰ হকী শাখাৰ সম্পাদক হিচাপে ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাঙি ধৰিলো।

যোৱাবাৰৰ দৰে এইবাৰো নগাওঁ ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত পঞ্চম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহত আন্তঃক্লাব হকী লীগ আৰম্ভ হয়। এই লীগ পাঁচটা দলৰ মাজত অনুষ্ঠিত হৈছিল আৰু উক্ত প্ৰতিযোগিতাত নগাঁও টাউন ক্লাবে চেম্পিয়ণ, সঞ্জীৱন সমাজে ৰাণাৰ-আপ আৰু অম্লান গোষ্ঠীয়ে তৃতীয় স্থান পাবলৈ সক্ষম হয়।

যোৱা বৰ্ষত ২২ জুলাই, ২০২৫ তাৰিখৰ পৰা ২৫ জুলাই, ২০২৫ তাৰিখলৈ মিছাত অনুষ্ঠিত হোৱা অনুজ দাস ১৫ তম সদৌ অসম জুনিয়ৰ পুৰুষ আন্তঃজিলা হকী প্ৰতিযোগিতাত নগাঁও জিলা দলে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়।

নগাঁও জিলাৰ হকী খেলুৱৈ ক্ৰমে নিৰজ কুমাৰ, সজল বিশ্বাস, আদিত্য শ্বাহ আৰু আদিত্য ভগতে অসম হকী দলত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হয়।

সদৌ শেষত আপোনালোকৰ সহায়-সহযোগিতাৰ অবিহনে কেতিয়াও হকী খেলৰ উন্নতিৰ কথা ভাবিব নোৱাৰি। মোক সকলো ক্ষেত্ৰতে কাৰ্য্যভাৰ চলাঁওতে যিসকল ব্যক্তিয়ে নিঃস্বাৰ্থভাৱে সহায়-সহযোগিতা আগবঢ়ালে, তেখেতসকললৈ মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**‘জয়তু নগাওঁ ক্ৰীড়া সংস্থা’।**

**মোহন চন্দ্ৰ বৰা**
হকী শাখা সম্পাদক,
নগাওঁ ক্ৰীড়া সংস্থা,
নগাওঁ(অসম)।